অধ্যায় ১৪ ঃ ৰুদ্র সিংহ — *শিৱ পুৰাণ* - ১

অধ্যায় গাঁথনি

14.1 উদ্দেশ্য

14.2 পৰিচয়

14.3 *শিৱ পুৰাণ*

14.3.1 কবি পৰিচয়

14.3.2 বিষয়বস্তু আৰু অধ্যায় পৰিচয়

14.3.3 *শিৱ পুৰাণ*ত পুৰাণৰ বৈশিষ্ট্য

14.4 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

14.5 অধিক জানিবলৈ

14.6 অগ্রগতিৰ খতিয়ান

14.7 আৰ্হি প্রশ্ন

১৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- *শিৱ পুৰাণ*ৰ প্রণেতা ৰুদ্র সিংহৰ জীৱন আৰু কৃতি সম্পর্কে চমুকৈ জানিব পাৰিব
- ৰুদ্র সিংহৰ দ্বাৰা প্রণীত *শিৱ পুৰাণ*ৰ বিভিন্ন দিশৰ বিষয়ে খৰচি মাৰি আলোচনা প্রস্তুত কৰিব পাৰিব
- *শিৱ পুৰাণ*ত পুৰাণৰ লক্ষণ বা বৈশিষ্ট্য কিমানখিনি প্রতিফলিত হৈছে সেই বিষয়ে বিশ্লেষণ আগবঢ়াব পাৰিব
- *শিৱ পুৰাণ*ৰ বিষয়বস্তু আৰু অধ্যায়সমূহত থকা বর্ণনাসমূহৰ ব্যাখ্যা আগবঢ়াবলৈ সক্ষম হ'ব।

১৪.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায় দুটাত আপুনি সুকবি নাৰায়ণদেৱৰ জীৱন আৰু কৃতি, নাৰায়ণদেৱে ৰচনা কৰা *পদ্মা-পুৰাণ*ৰ বিষয়বস্তু, উপস্থাপন পদ্ধতি তথা দেৱী মাহাত্ম্য প্রকাশক গ্রন্থ হিচাপে *পদ্মা-পুৰাণ* আৰু এইখন গ্রন্থৰ পৰা চয়ন কৰা "লখাইক দংশন কৰিবলৈ কালিনাগৰ যাত্রাৰ পৰা কালিনাগৰ দ্বাৰা লখাইক দংশন" পাঠাংশৰ বিষয়ে অধ্যয়ন কৰিলে। এইটো অধ্যায়ত আমি ৰুদ্র সিংহৰ জীৱন আৰু কৃতিৰ লগতে তেওঁ ৰচনা কৰা *শিৱ পুৰাণ*ৰ বিষয়বস্তু আৰু কেইটামান দিশ সম্পর্কে বহলাই অধ্যয়ন কৰিম।

ইয়াৰ আগৰ অধ্যায় দুটাৰে আপুনি মূলতঃ শাক্ত সাহিত্যৰ অন্তৰ্গত এটি পাঠ অধ্যয়ন কৰিলে। এতিয়া আমি শৈৱ সাহিত্যৰ চমু পৰিচিতি লাভ কৰিম। ইতিমধ্যে এইখন পাঠ্যবিষয়ৰ প্ৰথমটো অধ্যায়ত শৈৱ ধৰ্মীয় ধাৰণাৰ লগতে শৈৱ সাহিত্যৰ চমু পৰিচিতি লাভ কৰি আহিছোঁ। সেয়ে সেইখিনি কথা ইয়াত আৰু পুনৰাই আলোচনা কৰা নহ'ল। ঠিক সেইদৰে পুৰাণ সম্পৰ্কে ত্ৰয়োদশ অধ্যায়ত আলোচনা কৰা হ'ল বাবে সেইখিনিও ইয়াত পুনৰুক্তি কৰা নহ'ল। এইটো অধ্যায়ৰ জৰিয়তে আপুনি ৰুদ্ৰ সিংহ বিৰচিত *শিৱ পুৰাণ*ৰ বিস্তৃত ধাৰণা লাভ কৰিব বুলি আশা কৰা হৈছে।

১৪.৩ *শিৱ পুৰাণ*

*শিৱ পুৰাণ*ৰ কবি আহোম স্বৰ্গদেউ ৰুদ্ৰ সিংহ। ইতিমধ্যে বিভিন্ন যাথাসিকত কৰা ভিন ভিন আলোচনাত আপুনি নিশ্চয় মন কৰিছে যে ৰজাঘৰীয়া সাহায্য বা ৰাজ-অনুগ্ৰহ মধ্যযুগীয়া কলা-কৃষ্টি সম্পৰ্কীয় সকলো আন্দোলনৰে উৎস হৈ পৰিছিল। এই প্ৰসংগত ইংলেণ্ডৰ ৰাণী এলিজাবেথ, ফ্ৰান্সৰ ৰজা চতুৰ্দশ লুই আৰু ভাৰতৰ সম্ৰাট আকবৰ, দ্বিতীয় চন্দ্ৰগুপ্ত আদিৰ নামো স্মৰণীয়। অসমতো কোঁচ ৰজাসকলৰ আদৰ-উদগনি পাইহে অসমীয়া বৈষ্ণৱ সাহিত্য ঠন ধৰি উঠিব পাৰিছিল। অৱশ্যে মহাৰাজ ৰুদ্ৰ সিংহ ৰাজপাটত নবহালৈকে অসমীয়া সাহিত্যই আহোম ৰজাসকলৰ পৰা পোনপটীয়া তথা লেখত ল'বলগীয়া একো দান পোৱা নাছিল। তলত ৰুদ্ৰ সিংহৰ সাহিত্যকৰ্মৰ বিষয়ে উল্লেখ কৰি তেওঁ ৰচনা কৰা *শিৱ পুৰাণ* সম্পৰ্কে বহলাই আলোচনা কৰা হ'ল।

১৪.৩.১ কবি পৰিচয়

1696 খ্ৰীষ্টাব্দত ৰুদ্ৰ সিংহই তেওঁৰ পিতৃ গদাধৰ সিংহৰ মৃত্যু হোৱাত ৰাজ-সিংহাসন আৰোহণ কৰে। অসমৰ সাংস্কৃতিক জগতলৈ স্বৰ্গদেউ ৰুদ্ৰ সিংহৰ অৱদান বহুমুখী। ছশ বছৰীয়া ৰাজত্বকালত কেউজন আহোম ৰজাই অসমৰ সাংস্কৃতিক জগতলৈ যি অৰিহণা দি থৈ গ'ল, তাৰ আধাখিনি অকল ৰুদ্ৰ সিংহৰ অৱদান বুলি ক'ব পাৰি। মাত্ৰ ওঠৰ বছৰীয়া ৰাজত্বকালতে [1696–1714] ৰুদ্ৰ সিংহই অসমৰ শিক্ষা, সাহিত্য, সংগীত, চিত্ৰ, নৃত্য, ক্ৰীড়া সকলো দিশতে নতুন দিগন্তৰ সূচনা কৰে।

শিক্ষা বিস্তাৰৰ বাবে স্বৰ্গদেউ ৰুদ্ৰ সিংহই ভালেমান পঢ়াশালি পাতি দিয়াৰ উপৰি ব্ৰাহ্মণ, কায়স্থ আৰু আহোম ল'ৰাক সুকীয়া সুকীয়া ধৰ্মীয় কেন্দ্ৰলৈ অধ্যয়নৰ বাবে পঠিয়াইছিল। ব্ৰাহ্মণ ল'ৰাবোৰক কাশী, বাৰানসী, নৱদ্বীপ আদি ঠাইলৈ আৰু মহন্তৰ ল'ৰাক আউনীআটী সত্ৰলৈ অধ্যয়নৰ বাবে পঠিয়াইছিল। স্বৰ্গদেউৰ পৃষ্ঠপোষকতাত কেইবাজনো সজ কবিয়ে কেইবাখনো সংস্কৃত পুথি অসমীয়ালৈ অনুবাদ কৰিছিল। কবিৰাজ চক্ৰৱৰ্তীয়ে ৰুদ্ৰ সিংহৰ অনুপ্ৰেৰণাতে *নাৰদীয় পুৰাণ* আৰু জয়দেৱৰ

গীত গোবিন্দ অসমীয়ালৈ ভাঙনি কৰে। ৰুচিনাথ দ্বিজৰ *চণ্ডি আখ্যান, কালিকা পুৰাণ,* শিৱদাস শর্মাৰ *নৱৰত্ন* নামৰ আয়ুর্বেদ শাস্ত্র এইজনা স্বর্গদেউৰ দিনতে ৰচনা কৰা। তদুপৰি স্বর্গদেউৰে কবি শুভংকৰৰ *শ্রীহস্ত মুক্তাৱলী* পুথিখনো সুচান্দ ৰায় ওজা নামৰ এজন পণ্ডিতৰ হতুৱাই অনুবাদ কৰায়।

স্বর্গদেউ ৰুদ্রসিংহ চিত্রকলাৰো গুণগ্রাহী আছিল। সেইবাবে তেওঁৰ পৃষ্ঠপোষকতাতে ৰাজসভাৰ পণ্ডিতসকলৰ দ্বাৰা লিখা পুথিসমূহ চিত্রকৰে সুন্দৰ সুন্দৰ চিত্রৰে সুশোভিত কৰিছিল। এই প্রসংগতে *শংখচূড় বধ কাব্য* আৰু *হস্তি বিদ্যার্ণব* পুথিৰ চিত্রসমূহ উল্লেখযোগ্য।

আহোম স্বর্গদেউসকলৰ পৃষ্ঠপোষকতাতেই অসমৰ লোক-উৎসৱ বিহু জাতীয় উৎসৱলৈ পৰিবর্তিত হয়। স্বর্গদেউ ৰুদ্র সিংহই পথাৰৰ বিহুক ৰংঘৰৰ বাকৰিলৈ আনে আৰু অংশগ্রহণকাৰী হুচৰি দলক পুৰস্কাৰ দিয়াৰ ব্যৱস্থা কৰে। এৰেঁই বিহুৰ দিনা হুঁচৰি দলৰ সন্মুখত মূৰ দোঁৱাই আশীর্বাদ লোৱাৰ ৰীতি প্রৱর্তন কৰে।

এইবোৰৰ উপৰি ৰুদ্র সিংহৰ দিনতে ক্রীড়া ক্ষেত্রৰো ভালেখিনি উন্নতি সাধিত হয়। তেৱেঁই হাতীযুঁজ, কুকুৰা যুঁজ, শেন খেল, নাওখেল, কণুৱা যুঁজ, ম'হ যুঁজ, বুলবুলি চৰাইৰ যুঁজ আদিৰ উপৰিও মালযুঁজ, ঘোঁৱা দৌৰ, লাঠী খেল, তৰোৱাল খেল, কাঁড় মৰা প্রতিযোগিতা আদিৰো আয়োজন কৰিছিল।

ৰংপুৰ নগৰখনৰ উপৰি তাত থকা 'তলাতল' আৰু 'ৰংঘৰ' স্বর্গদেউ ৰুদ্র সিংহই সজোৱা। ইয়াতেই অৱস্থিত জয়সাগৰ দ'ল আৰু পুখুৰীয়ে আজিও তেওঁৰ মাতৃভক্তিৰ পৰিচয় বহন কৰি আছে। দ'লবিলাকৰ গাত যিবোৰ মূর্তি কটা আছে, সেইবোৰে স্বর্গদেউজনাৰ শিল্প নৈপুণ্য তথা ৰুচি-অভিৰুচিৰ পৰিচয় দাঙি ধৰে। ৰংপুৰলৈ যোৱা শিলৰ সাঁকোও এইজনা ৰজায়ে বন্ধোৱা।

ৰুদ্র সিংহৰ মহানুভৱতা বা সুকোমল মানৱীয় গুণ লেখত ল'বলগীয়া। আহোম স্বর্গদেউসকলে ৰাজপাট গ্রহণ কৰাৰ সময়ত শিঙ্গৰি ঘৰত উঠোতে নৰবলি দিয়াৰ নিয়ম পুৰণি কালৰে পৰা প্রচলিত আছিল। ৰুদ্র সিংহৰ কোমল হৃদয়ত এনে নিষ্ঠুৰতা সহ্য নহ'ল। সেইবাবে তেওঁ নৰবলিৰ সলনি ম'হ বলি দিয়াৰ নিয়ম প্রৱর্তন কৰে।

এনেবোৰ অৱদানৰ যোগেদি ৰুদ্র সিংহই নিজৰ স্বকীয় ব্যক্তিত্বৰ পৰিচয় দি যোৱাৰ লগতে তেওঁৰ আন এক সুকীয়া পৰিচয় পাওঁ— এগৰাকী কবি হিচাপে যিটো গুণ আহোম ৰজাসকলৰ গাত দেখা নগৈছিল। ৰুদ্র সিংহৰ কবি প্রতিভাৰ সম্যক পৰিচয় পোৱা যায় তেওঁৰ দ্বাৰা ৰচিত পাঁচোটা গীত আৰু *শিৱ পুৰাণ*ৰ যোগেদি।

দেশ শাসন কৰাৰ দৰে জটিল তথা দায়িত্বপূর্ণ কামত ব্যস্ত থাকিও আহোম ৰাজত্বক শিক্ষা, সাহিত্য, সংগীত, চিত্রকলা, ক্রীড়া সকলো দিশলৈ তেওঁ যি অৱদান আগবঢ়াই থৈ গ'ল, সেইবোৰে স্বর্গদেউ ৰুদ্র সিংহৰ নাম চিৰদিনৰ বাবে স্মৰণীয় কৰি ৰাখিব।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ কোনগৰাকী কবিয়ে ৰুদ্র সিংহৰ অনুপ্রেৰণাৰে *নাৰদীয় পুৰাণ* আৰু জয়দেৱৰ *গীত গোবিন্দ* অসমীয়ালৈ ভাঙনি কৰে?

.....

প্রশ্ন নং ২ ঃ ৰুদ্র সিংহই কেইটা গীত ৰচনা কৰিছিল?

.....

১৪.৩.২ বিষয়বস্তু আৰু অধ্যায় পৰিচয়

প্রাচীন কালৰে পৰা অসমত শৈৱ ধর্ম প্রচলিত হৈ আহিছে যদিও শিৱ ভক্তিয়ে প্রাধান্য লাভ কৰা স্বকীয় পুথি ৰচিত হোৱা নাই বুলি ক'লেও অত্যুক্তি কৰা নহয়। এই ক্ষেত্রত স্বর্গদেউ ৰুদ্রসিংহই ৰচনা কৰা *শিৱ পুৰাণ* নামৰ গ্রন্থখনিহে একমাত্র ব্যতিক্রম। এইখনৰ বাদে শিৱৰ মাহাত্ম্য বা শ্রেষ্ঠত্ব প্রকাশক বিশুদ্ধ পুথি অসমীয়া ভাষাত ৰচিত হোৱা নাই। অৱশ্যে মৌখিক লোকসাহিত্য, মনসা সাহিত্য, বৈষ্ণৱ সাহিত্য এই সকলোবোৰতে শিৱই আনুষংগিকভাৱে হ'লেও ভুমুকি মাৰিছে। তাৰে ভিতৰত ৰাম সৰস্বতীৰ দ্বাৰা বিৰচিত যোল্লখন বধকাব্যত শিৱই এককভাৱে প্রাধান্য বিস্তাৰ কৰা দেখা যায়। অৱশ্যে প্রাধান্য লাভ কৰিলেও তাত শিৱৰ শ্রেষ্ঠত্ব ঘোষণা কৰা নাই। একমাত্র ৰুদ্র সিংহৰ *শিৱ পুৰাণ*খনিয়েহে আমাক বিশুদ্ধ শৈৱ সাহিত্য আৰু দর্শনৰ সোৱাদ দিবলৈ সক্ষম হৈছে। সেই ফালৰ পৰা অসমীয়া সাহিত্যৰ বুৰঞ্জীত *শিৱ পুৰাণ*ৰ স্থান আৰু মূল্য অপৰিসীম।

ৰুদ্র সিংহৰ সাহিত্য কৃতিৰ শ্রেষ্ঠতম নিদর্শন *শিৱ পুৰাণ* নামৰ পুথিখনি। 351টা পদৰ সমষ্টি এই পুথিখনিত শিৱৰ পৌৰাণিক ৰূপটো পৰিস্ফুট হৈছে। প্রসংগক্রমে উল্লেখ কৰিব পাৰি যে, কোচ ৰেহাৰৰ ৰাজসভাৰ কবি দ্বিজ বৈদ্যনাথে *শিৱ পুৰাণ*ৰ কিছু অংশ কামৰূপী ভাষাত অনুবাদ কৰিছিল বুলি পণ্ডিত, সাহিত্য সমালোচক সত্যেন্দ্রনাথ শর্মাই উল্লেখ কৰিছে। সংস্কৃত *শিৱ পুৰাণ*খনি চাৰিটা পাদত বিভক্ত আৰু ইয়াৰ শ্লোকৰ সংখ্যা ছাব্বিশ হেজাৰ। ৰুদ্র সিংহই মাথোঁ আঠোটা শ্লোকৰ আধাৰত *শিৱ পুৰাণ*খনি ৰচনা কৰিছে।

ৰুদ্র সিংহৰ *শিৱ পুৰাণ* মতে শিৱই জগতৰ একমাত্র জীৱ। তেওঁ সৎ, চিৎ আৰু আনন্দময়। তেৱেঁই অনাথৰ নাথ। শিৱৰ পঞ্চম মূর্তিয়েই ব্রহ্মা আৰু সর্বজগতৰ আত্মাৰূপে ব্রহ্মৰূপী শিৱই চিৰন্তনভাৱে বিৰাজ কৰিছে। আনহাতে, শিৱ ত্রিজগতৰ পতি। তেওঁ উপমাবিহীন। তেওঁ দেৱতাৰো দেৱতা। তেৱেঁই যুগে যুগে জগত সৃষ্টি কৰে, পালন কৰে আৰু সংহাৰ কৰে। এইদৰে *শিৱ পুৰাণ*ত তেওঁৰ মাহাত্ম্য ব্যক্ত কৰি

শ্রেষ্ঠত্ব প্রতিপন্ন কৰা হৈছে। মন কৰিবলগীয়া কথা য়ে, পুৰণি অসমীয়া কবিসকলে তেওঁলোকৰ পদ-পুথিত শিৱৰ লৌকিক ৰূপটোহে অংকন কৰিছিল। সেইবাবে আমি সেইবোৰ কাব্যত ভঙুৱা, কৃষক, কামাসক্ত, নাঙঠ, ভস্মৰূপী শিৱ হিচাপেহে লগ পাওঁ। কিন্তু ৰুদ্র সিংহৰ *শিৱ পুৰাণ*ত শিৱৰ লৌকিক ৰূপৰ পৰিবর্তে বৈদিক আৰু পৌৰাণিক ৰূপহে দেখিবলৈ পোৱা যায়।

*শিৱ পুৰাণ*খনিৰ বক্তা হৈছে সনত কুমাৰ। প্রশ্ন-উত্তৰৰ কৌশলত ৰচনা কৰা এই পুথিখনিত ব্যাসে প্রশ্ন কৰিছে আৰু সনত কুমাৰে তাৰ উত্তৰ দিছে। এই উত্তৰৰ মাজেদিয়ে *শিৱ পুৰাণ*ৰ বিষয়বস্তুৱে বিকাশ লাভ কৰিছে। ইতিপূর্বে উল্লেখ কৰি অহা হৈছে যে, ৰুদ্র সিংহৰ *শিৱ পুৰাণ*ত মুঠতে আঠোটা অধ্যায় আছে। প্রতিটো অধ্যায়ত আৰম্ভণিতে কবিয়ে একোটাকৈ সংস্কৃত শ্লোক সংযোগ কৰিছে। প্রথম অধ্যায়ৰ প্রাক্-মুহূর্তত কবি ৰুদ্র সিংহই বসন্ত তিলক ছন্দত ৰচিত এই সংস্কৃত শ্লোকটি উপস্থাপন কৰিছে—

গৌৰীসুপীৱৰ পয়োধৰ ভাৰ গাঢ়।
সংশ্লেষলগ্নৱৰ কুঙ্কুমচাৰুৱক্ষা।
ভাস্বৎতড়িত শৰদুর্দিনপয়োদ সাস্ত্র,
সংৱন্দ্যতে পশুপতিঃ সততং ময়াসৌ।

(গৌৰীৰ সুবৃহৎ স্তনযুগলৰ ভাৰেৰে গাঢ় আলিংগন কৰাৰ ফলত যাৰ বক্ষদেশ কুঙ্কুমেৰে ধুনীয়া হৈ পৰিছে আৰু মেঘাচ্ছন্ন দিনৰ সজল মেঘৰ বুকুত প্রকাশ পোৱা বিজুলী ৰেখাৰ নিচিনাকৈ যি শোভিত হৈছে— সেই পশুপতি শিৱক মই সততে বন্দনা কৰোঁ।)

ইয়াৰ পিছতে কবিয়ে পুৰণি কাব্যৰ ৰীতি অনুসৰি মংগলাচৰণ পৰিৱেশন কৰিছে। এই মংগলাচৰণত ৰুদ্র সিংহই শিৱ আৰু বাগেশ্বৰী দেৱীৰ বন্দনা কৰিছে। সংস্কৃত শ্লোক আৰু মংগলাচৰণৰ পিছতহে কাব্যখনিৰ বিষয়বস্তু আৰম্ভ হৈছে। প্রথমে সনত কুমাৰৰ ওচৰত ব্যাসদেৱে ৰুদ্রৰ মহিমা সম্পর্কীয় প্রশ্ন উত্থাপন কৰিছে। সেই প্রশ্নৰ উত্তৰস্বৰূপে সনত কুমাৰে জনালে যে, ইয়াৰ পূর্বেও নৈমিষাৰন্যবাসী ঋষিসকলে ব্রহ্মাক লগ ধৰি ৰুদ্রৰ জন্মকাহিনী বিৱৰি ক'বলৈ অনুৰোধ কৰিছিল। ঋষিসকলৰ অনুৰোধ ৰক্ষা কৰি ব্রহ্মাই ৰুদ্রৰ কাহিনী বর্ণনা কৰে। এই বর্ণনাখিনিয়েই প্রথম অধ্যায়ৰ বিষয়বস্তু। ইয়াত বর্ণিত হৈছে ব্রহ্মাৰ দ্বাৰা ৰুদ্রৰ জন্ম বৃত্তান্ত কথন, মহাৰুদ্রৰ আবির্ভাৰ, সৃষ্টি কার্যত প্রবৃত্ত হ'বলৈ ব্রহ্মাক নির্দেশ, ৰুদ্রৰ দ্বাৰা সৃষ্টিতত্ত্ব ব্যাখ্যা, ৰুদ্রৰ পঞ্চমূর্তি, পঞ্চমূর্তিৰ তত্ত্বব্যাখ্যা, ৰুদ্রৰ বিভিন্ন নাম তথা সেই নামৰ তত্ত্ব বিশ্লেষণ, ব্রহ্মাৰ সৈতে শিৱত অভিন্নতা নিৰূপণ। এই অধ্যায়টি পদ ছন্দত ৰচিত আৰু ইয়াৰ মুঠ পদ সংখ্যা 43টা।

ৰুদ্র সিংহৰ *শিৱ পুৰাণ*ৰ দ্বিতীয় অধ্যায়টি আৰম্ভ হৈছে তলত উদ্ধৃত সংস্কৃত শ্লোকটিৰে—

শার্দ্দুলচর্ম্মৱসনায় গিৰিন্দ্রকন্যা ৱক্তাৰবিন্দ মকৰন্দমধুব্রতায়।
ভৃত্যার্ত্তিহায়কৰুণাময়মানসয়ে ভীমায়ভীমকৰণায় নমোনমস্তে।।

(বাঘৰ ছাল যাৰ বসন, হিমালয়-কন্যাৰ মুখ-পদ্মৰ পৰাগমধু যিজনে সততে সেৱন কৰে, যিজনে ভৃত্যসকলৰ আৰ্তি নাশ কৰে, যাৰ মন কৰুণাময়, সেই ভগৱান অস্ত্রধাৰী শিৱক মই বাৰম্বাৰ নমস্কাৰ কৰোঁ।)

মাত্র এঘাৰটা পদত বর্ণিত এই অধ্যায়ত লিংগৰূপী শিৱৰ মহত্ত্ব কথন, শৈৱতত্ত্ব ব্যাখ্যা, ৰুদ্র ভক্তি আৰু ৰুদ্র ভক্তৰ শ্রেষ্ঠত্ব নির্ণয় কৰা হৈছে। প্রথম পদটিতে তাৰ আভাস সনত কুমাৰে ব্যাসৰ আগত দাঙি ধৰিছে—

ব্যাসৰ আগে সনত কুমাৰে বোলয়।
সুনা ব্রহ্মাণ্ডৰ ক্ষয় বৃদ্ধিৰ নির্ণয়।।

তৃতীয় অধ্যায়টি আৰম্ভ হৈছে এই শ্লোকটিৰে—

দক্ষপ্রজাপতিমহাসুখভংগকায়।
জ্ঞানপ্রদায়চ চৰাচৰৰজকায়,
কাত্যায়নীৱদন চন্দ্রচকোৰকায়,
ৰুদ্রায়ৰুদ্রচৰিতায় নমোনমস্তে।।

(দক্ষ প্রজাপতিৰ মহাযজ্ঞ ভংগ কৰোঁতা, জ্ঞানপ্রদ আৰু চৰাচৰ জগতৰ আনন্দদায়ক কাত্যায়নী দুর্গাৰ মুখ-চন্দ্রৰ যিজন চকোৰ স্বৰূপ, সেই উগ্রচৰিত ৰুদ্রক বাৰম্বাৰ নমস্কাৰ কৰোঁ)

এই অধ্যায়টিত সন্নিবিষ্ট ঘটনাসমূহ এনে ধৰণৰ— ব্রহ্মাৰ ওচৰত ঋষিসকলৰ শিৱ জিজ্ঞাসা, বিষ্ণুৰ দ্বাৰা শিৱ আৰাধনা, বিষ্ণুৰ প্রতি শিৱৰ আদেশ, ব্রহ্মাৰ দ্বাৰা শিৱৰ আৰাধনা, শিৱৰ আশীর্বাদ লাভ, ইন্দ্রৰ শিৱ আৰাধনা আৰু অনুগ্রহ লাভ, সপ্ত হাজাৰ বিমানৰ বর্ণনা, ইন্দ্রৰ গর্ব, ইন্দ্রৰ গর্ব খর্ব, ইন্দ্রৰ প্রতি শিৱৰ অভিশাপ, ৰুদ্রগণৰ মাহাত্ম্য, শিৱ পুৰাণৰ মাহাত্ম্য, ব্রহ্মাৰ উপদেশ, সনত কুমাৰৰ দ্বাৰা মহেশ্বৰ ধ্যান। পদ ছন্দত ৰচিত এই অধ্যায়টিৰ পদ সংখ্যা 43টা

দুলড়ী ছন্দত ৰচিত তথা 36টা পদৰ সমষ্টি— *শিৱ পুৰাণৰ* চতুর্থ অধ্যায়টি আৰম্ভ হৈছে এই সংস্কৃত শ্লোকটিৰে—

সুৰাসুৰৈর্ব্বন্দ্য পদাম্বুজায়
ৱিপক্ষণাশোত্তমসন্তুজায়
কোপগ্নিভস্মীকৃতসন্মথায়,
নিত্যংনমস্তে ত্রিপুৰোণ্মথায়।

(দেৱতা আৰু অসুৰসকলে যাৰ চৰণ-পদ্ম বন্দনা কৰে, যাৰ সুবহু ভূজদ্বয়ে শত্রু নাশ কৰে, যিজনে কোপাগ্নিৰে মদনক ভস্মীভূত কৰিছে, সেই ত্রিপুৰৰ উদ্বেগকাৰী শিৱক নিতৌ নমস্কাৰ কৰোঁ।)

এই অধ্যায়টিত বর্ণিত বিষয়বস্তুসমূহ এনেধৰণৰ— শিৱৰ মাহাত্ম্য ব্যাখ্যা, সনত কুমাৰৰ শিৱ স্তুতি, ব্রহ্মাৰ দ্বাৰা মহেশ্বৰৰ ৰূপ বর্ণনা, সনত কুমাৰৰ পুনৰ শিৱস্তুতি, বৰ

লাভ, ব্রহ্মাৰ দ্বাৰা শিৱৰ মহিমা কীর্তন, মুনিসকলৰ দ্বাৰা শিৱৰ লিংগ পূজা আৰু বৰ লাভ, শিৱ ভক্তিৰ শ্রেষ্ঠত্ব নিৰূপণ। এই অধ্যায়ৰ শেষত কবিয়ে শিৱকেই সর্বেসর্বা বুলি জ্ঞান কৰি তেওঁক ভক্তি কৰাৰ বাবে উপদেশ দিছে—

সিৱে পিতা মাতা সিৱে ধাতা কর্ত্তা
সিৱক ভজিয়ো মনে।
ৰুদ্র সিংহ বোলে সুনিয়ো সকলে
সিৱ সিৱ বোলা ঘনে।।

এই অধ্যায়টিৰেই 'শিৱৰ মাহাত্ম্য ব্যাখ্যা' আৰু 'সনত কুমাৰৰ শিৱ স্তুতি' আপুনি বিশেষভাৱে পৰৱর্তী অধ্যায়ত বিশেষভাৱে অধ্যয়ন কৰিব লাগিব।

পদ ছন্দত ৰচিত 58টা পদত *শিৱ পুৰাণৰ* পঞ্চম অধ্যায়টো আৰম্ভ হোৱাৰ আগমুহূর্তত কবিয়ে সংস্কৃতৰ এই শ্লোকটি উদ্ধৃতি কৰিছে—

ৰজতগিৰিমকাশং পার্বতীহৃদ্বিলাসং
কৃষভকৃতনিৱেশং প্রোল্লসচ্চণ্ডৱেশম্।
কৰকলিতকপালং সর্বলোকপ্রপালং,
দনুজকুলকৃতান্তং চিন্তয়ামোনিতান্তম্।

(ৰূপৰ গর্বত যেন যাৰ শৰীৰ, পার্বতীৰ হৃদয়ৰ যিজন বিলাপ স্বৰূপ, বৃষভ যাৰ আসন, যাৰ উপদেশ সদায় জিলিকি থাকে, যাৰ হাতত নৰ-কপাল শোভিত হয়, যিজনে সর্বলোকক পালন কৰে, যিজন দৈত্যকুলৰ যম সদৃশ, সেইজনক একান্তভাৱে চিন্তা কৰোঁ।)

অধ্যায়টিৰ আৰম্ভণিতে ব্যাসে সনত কুমাৰক ব্রহ্মা, বিষ্ণু আৰু শিৱলোকৰ বিষয়ে জনাবলৈ বিনম্রভাৱে অনুৰোধ কৰিছে—

ব্রহ্মা বিষ্ণু সিৱলোক আচয় যতেক।
সুনিবাক ইচা জাই কহিয়ো প্রত্যেক।।

ব্যাসৰ অনুৰোধমর্মে সনত কুমাৰে তেতিয়া ব্রহ্মা, বিষ্ণু আৰু শিৱলোকৰ বিষয়ে বিস্তৃত বর্ণনা দিবলৈ প্রয়াস কৰিছে। এই ত্রিলোক বর্ণনা প্রসংগত কবিয়ে গছ-গছনি, পর্বত-পাহাৰ, নদ-নদী, চৰাই-চিৰিকটি, গুহা-গহ্বৰ পৰিৱেষ্টিত প্রাকৃতিক সৌন্দর্যৰ এক অনাবিল চিত্র দাঙি ধৰিছে।

ত্রিলোক বর্ণনা কৰাৰ পিছত ব্যাসদেৱৰ অনুৰোধ মর্মে সনত কুমাৰে পুনৰ শিৱস্থানৰ কথা বর্ণনা কৰিবলগীয়াত পৰে। এই শিৱস্থানৰ বর্ণনাই ৰুদ্র সিংহৰ *শিৱ পুৰাণৰ* ষষ্ঠ অধ্যায়। অধ্যায়টি আৰম্ভ হৈছে তলত উদ্ধৃত কৰা শ্লোকটিৰে—

জ্ঞানাগ্নিভষ্মীকৃতসর্বপাপং
গংগাপয়ঃসিক্তজটাকলাপম্।
কৰাত্তকৌক্ষেয়কদণ্ডচপেং,

ৱন্দেহৱংদৈত্যগনাভিতাপম্।।

(যিজনে জ্ঞানাগ্নীৰ দ্বাৰা সকলো পাপ ভষ্মীভূত কৰে, গংগাজলেৰে যাৰ জঁটা তিতি থাকে, যাৰ হাতত দণ্ড-ধনু আৰু পাশ, দৈত্যগণৰ দুঃখদায়ক সেই হৰক বন্দনা কৰোঁ।)

কবিয়ে এই পুৰাণত শিৱৰ সপ্ত থান পর্যন্ত বর্ণনা কৰিছে। সেই বর্ণনা অনুসৰি শিৱৰ থানসমূহ যথাক্রমে এনে ধৰণৰ— শিৱালয়, ভৱ, সর্ব, অগ্নিথান, উগ্র, পাশুপাত আৰু মহেশ্বৰ। 28 টা পদত তথা পদ ছন্দত এই অধ্যায়টি বর্ণনা কৰা হৈছে।

26 টা পদত দুলড়ী ছন্দৰ মাধ্যমত ৰুদ্র সিংহৰ *শিৱ পুৰাণ*ৰ সপ্তম অধ্যায়টি ৰচিত হৈছে। অধ্যায়টিৰ শুভাৰম্ভ ঘটিছে এই শ্লোকটিৰে—

পদাৰৱিন্দংমঘমলং মনুজা ৱিচিন্তা,
সংযান্তিদিব্যপদবীং ভৱৰণ্যামুক্তাঃ
যস্যাতিযোগৰভসায় শিৱায় তস্মৈ,
চণ্ডায় চণ্ডমহসে সততং নমস্তে।।

(যাৰ বিশুদ্ধ চৰণাৰবিন্দ চিন্তা কৰি কৰি মানুহে দিব্যস্থান লাভ কৰে আৰু সংসাৰ বন্ধনৰ পৰা মুক্ত হয়, সেই তীব্র যোগ ৰমনকাৰী, উগ্র আৰু উগ্র শক্তিশালী শিৱক সততে নমস্কাৰ কৰোঁ।)

এই অধ্যায়ত ব্যাসদেৱৰ লগতে ভক্ত বিভীষণেও শিৱৰ ওচৰত প্রশ্ন উত্থাপন কৰিছে— কি কৰিলে তেওঁ তুষ্ট হয়? এই প্রশ্নৰ উত্তৰত শিৱই লিংগ পূজা আদিৰ কথা বর্ণনা কৰি এই পূজাৰ মাহাত্ম্য তথা ফলাফল সম্পর্কে অৱগত কৰাইছে। তাৰ পিছত বিভীষণৰ শিৱস্তুতিৰে অধ্যায়টিৰ সামৰণি মাৰিছে।

ৰুদ্র সিংহৰ *শিৱ পুৰাণ*ৰ অষ্টম তথা অন্তিম অধ্যায়টি পদ ছন্দত ৰচিত আৰু ইয়াৰ পদসংখ্যা 98টা। বাকী সাতোটা অধ্যায়ৰ তুলনাত এই অধ্যায়টিৰ আকাৰ আপেক্ষিকভাৱে বিস্তৃত। অধ্যায়টি আৰম্ভ হৈছে এই সংস্কৃত শ্লোকটিৰে—

ৱক্তৈৰণন্তৈর্ভগৱাননন্তঃ সংৱর্ণয়ন্নমলংগুণানাম্।
ন যস্যৱক্তুং গিৰিশায় তস্মৈ ব্রহ্ম স্ৱৰূপায় নমোনমস্তে।।

(ভগৱান অনন্তই অনন্ত মুখেৰেও যাৰ গুণাৱলী বর্ণনা কৰিবলৈ সামর্থ নহয়, সেই ব্রহ্মস্ৱৰূপ গিৰীশক বাৰম্বাৰ নমস্কাৰ কৰোঁ।)

এই অধ্যায়টিত লিংগৰ পৰা ত্রিজগতৰ সৃষ্টি, লিংগৰূপী ৰুদ্রৰ দ্বাৰা জগত ধ্বংস, লিংগৰ পৰা ব্রহ্মাদি দেৱতাৰ জন্ম, দেৱতাসকলক শিৱৰ বৰ প্রদান, সত্য-নিত্য শিৱৰ ক্রীড়া হেতু জগত সৃষ্টি মহেশৰ অষ্ট মূর্তিৰ বর্ণনা, শিৱৰ অষ্ট স্থানৰ মহিমা বর্ণনা আদি বিষয়বস্তু সন্নিৱিষ্ট হৈছে।

এনেদৰে *শিৱ পুৰাণত* আঠোটা অধ্যায়ৰ যোগেদি শিৱৰ মাহাত্ম্য প্রকাশ কৰা হৈছে। তাৰ যোগেদি পুৰাণখনিৰ বিষয়বস্তুৰ আভাস পাব পাৰি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ *শিৱ পুৰাণ*ৰ দ্বিতীয় অধ্যায়ত কেইটা পদ আছে আৰু তাত কি কি বিষয় বিশ্লেষণ কৰা হৈছে?

.....

প্রশ্ন নং ৪ ঃ ৰুদ্র সিংহৰ *শিৱ পুৰাণ*ৰ সপ্তম অধ্যায়টি কিমানটা পদ আছে আৰু সেই পদসমূহ কি ছন্দত লিখা ?

.....

১৪.৩.৩ *শিৱ পুৰাণত* পুৰাণৰ বৈশিষ্ট্য

ৰুদ্র সিংহৰ দ্বাৰা প্রণিত *শিৱ পুৰাণত* পুৰাণ পৰম্পৰাই স্বীকাৰ কৰা দশ লক্ষণৰ স্পষ্ট নিদর্শন পোৱা নাযায়। আনহাতে, পঞ্চ লক্ষণৰ অভিব্যক্তিও সামান্যভাৱেহে পৰিলক্ষিত হয়। ৰুদ্রৰ দ্বাৰা সৃষ্টিতত্ত্ব ব্যাখ্যা, ব্রহ্মা আদি প্রজাপতিৰ সৃষ্টি, লিংগৰ পৰা ত্রিজগতৰ সৃষ্টি আদিৰ যোগেদি পুৰাণৰ কেইটিমান চর্ত ৰুদ্র সিংহৰ *শিৱ পুৰাণে* পূৰণ কৰিবলৈ সক্ষম হৈছে। আনহাতে, এই পুৰাণখনিত শিৱৰ শক্তি মাহাত্ম্য, ঐশ্বর্য-বিভূতি আৰু মহিমা-মহত্ত্ব আদি বর্ণনা কৰা হেতুকে ইয়াক পুৰাণ আখ্যা দিয়া হৈছে। কিয়নো পুৰাণসমূহত কোনো এগৰাকী নির্দিষ্ট দেৱতাৰ শ্রেষ্ঠত্ব প্রতিপন্ন কৰা হয়। আন এটা মন কৰিবলগীয়া কথা হ'ল— পুৰাণৰ পঞ্চ লক্ষণ বা দশ লক্ষণ *শিৱ পুৰাণত* পূর্ণভাৱে নথকা সত্বেও ৰুদ্র সিংহই নিজে কিন্তু ইয়াক পুৰাণ বুলি পৰিচয় কৰাই দিছে। উদাহৰণস্বৰূপে —

1] ব্যাসৰ কবিত্ব ইটো শিৱ পুৰাণৰ।
পদ বন্ধে ভনে ৰুদ্র সিংহ নৃপবৰ।।

2] ব্যাসৰ কৃত ইটো গহন শ্লোক চয়।
ৰুদ্র সিংহ নৃপে ভনে শিৱ পুৰাণয়।।

পুৰাণসমূহৰ সৃষ্টি-স্থিতি আৰু সংহাৰ তত্ত্ব এটা গুৰুত্বপূর্ণ বিষয়। ৰুদ্র সিংহৰ পুৰাণত এই ত্রিতত্ত্বৰ বিষয়ে আলোচনা কৰি কোৱা হৈছে যে শিৱেই এই সৃষ্টি-স্থিতি আৰু সংহাৰৰ মূল। তেৱেঁই ব্রহ্মা, বিষ্ণু আৰু অন্যান্য দেৱ-দেৱীসকলক সৃষ্টি কৰি সৃষ্টি কার্য চলায়। শেষত ৰুদ্র ৰূপ ধাৰণ কৰি তেৱেঁই সৃষ্টি নাশো কৰে। গতিকে শিৱেই পৰম ব্রহ্ম আৰু তেওঁতেই সকলো লয় হয়।

পুৰাণৰ তত্ত্বসমূহ চাৰিসিদ্ধ আৰু ব্রহ্মাৰ মানস-পুত্র নাৰদৰ যোগেদি বক্তা-শ্রোতাৰ প্রশ্ন-উত্তৰৰ ৰূপত আলোচনা কৰা হৈছে। ৰুদ্র সিংহই এই কৌশল অৱলম্বন কৰি সনত কুমাৰৰ যোগেদি শিৱতত্ত্ব তথা মাহাত্ম্য ব্যাখ্যা কৰিছে। ৰুদ্র সিংহই শিৱলিংগ প্রতিষ্ঠাৰ যোগেদি ভাৰতবর্ষত স্থাপিত তীর্থসমূহৰ মাহাত্ম্য আৰু বর্ণনা সংযোগ কৰি পুৰাণৰ মর্যাদা ৰক্ষা কৰিছে। পুৰাণসমূহে তীর্থস্থান বর্ণনাৰ লগতে বৈদিক কর্ম-কাণ্ড,

দান-দক্ষিণা, ৰীতি-নীতি আদিও ব্যাখ্যা কৰিছে। একেদৰে ৰুদ্ৰ সিংহৰ পুৰাণখনিতো শিৱলিংগ থকা শিৱৰ তীৰ্থস্থানসমূহত পালন কৰিবলগীয়া আচাৰ-নীতি, দান-দক্ষিণা আদিৰ উল্লেখ কৰিছে।

পুৰাণসমূহত মন্বন্তৰ অৰ্থাৎ মনুৰ শাসন কালৰ লগতে ৰাজৰ্ষীসকলৰ শাসনৰ উল্লেখ কৰি ৰাজনীতি, অৰ্থনীতি আদিকো সামৰি লৈছে। ৰুদ্ৰ সিংহই ৰাজনৈতিক তত্ত্ব বিস্তৃতভাৱে উল্লেখ কৰা নাই যদিও শিৱই ইন্দ্ৰক বৰ দি স্বৰ্গত ক্ষমতাধিষ্ঠিত কৰা আৰু শেষত ইন্দ্ৰই ক্ষমতাৰ অপব্যৱহাৰ কৰা বাবে শিৱই ইন্দ্ৰৰ দৰ্পচূৰ্ণ কৰা ঘটনাৰ যোগেদি ৰাজনীতিৰ কথাও সামৰি লৈছে।

ভক্ত আৰু ভগৱানৰ অভেদ সম্বন্ধ তথা ভক্তৰ মনোবাঞ্ছা ভগৱানে পূৰণ কৰাৰ আদৰ্শ পুৰাণসমূহত দেখিবলৈ পোৱা যায়। *শিৱ পুৰাণ*তো শিৱই ভক্তসকলক ভোগ আৰু মুক্তি প্ৰদানৰ কথা উল্লেখ কৰি ৰুদ্ৰ সিংহই পুৰাণৰ বৈশিষ্ট্য ৰক্ষা কৰিছে। এই প্ৰসংগত কবিয়ে কৈছে যে *শিৱ পুৰাণ* শ্ৰৱণ-কীৰ্তন কৰিলে শিৱ তুষ্ট হয় আৰু ভক্তক ভোগ তথা মুক্তি দিয়ে। আনহাতে, চতুৰ্বৰ্গৰ বৰ্ণনা, চতুৰ্দশ ভুৱনৰ বৰ্ণনা পুৰাণসমূহৰ অন্যতম উল্লেখযোগ্য বৈশিষ্ট্য। কবি ৰুদ্ৰ সিংহই এই আদৰ্শৰ প্ৰতি অনুপ্ৰাণিত হৈ মহাকলি তথা শিৱলোক, বিষ্ণু লোক আৰু ব্ৰহ্মালোকৰ বৰ্ণনাত অধিক গুৰুত্ব দিয়া দেখা গৈছে। চতুৰ্দশ ভুৱনৰ সৌন্দৰ্যৰ বৰ্ণনা সংযোগ কৰি কবি ৰুদ্ৰ সিংহই কল্পনা তথা উপলব্ধিৰ গভীৰতা প্ৰকাশ কৰিছে।

ৰুদ্ৰ সিংহই ৰাজবংশৰ বৰ্ণনা *শিৱ পুৰাণ*ৰ সন্নিৱিষ্ট কৰা নাই যদিও সপ্তৰ্ষি আৰু শিৱৰ পুত্ৰ কাৰ্তিক, গণেশ আৰু উমা-গংগাৰ নাম উল্লেখ কৰি বংশাৱলীৰ বৈশিষ্ট্য ৰক্ষা কৰা বুলি ক'ব পাৰি।

বিভিন্ন শাস্ত্ৰৰ পৰা পুৰাণসমূহ ৰচনা কৰাৰ দৰে ৰুদ্ৰ সিংহই বিভিন্ন সংস্কৃত শাস্ত্ৰ অধ্যয়ন কৰি গভীৰ উপলব্ধিৰ যোগেদি *শিৱ পুৰাণ* ৰচনা কৰিছে। জ্ঞান আৰু ভক্তিৰ আদৰ্শ আদিৰ পৰা অন্তলৈ প্ৰবাহিত হৈ আছে। বৈষ্ণৱ সাহিত্যৰ দৰে প্ৰচাৰধৰ্মী মনোভাব *শিৱ পুৰাণ*তো প্ৰকাশ পাইছে। অন্যান্য পুৰাণসমূহত চৰিত্ৰ সৃষ্টিৰ ওপৰত গুৰুত্ব দিয়াৰ দৰে *শিৱ পুৰাণ*তো সৃষ্টি-স্থিতি-প্ৰলয়ৰ শক্তিৰূপে শিৱ মাহাত্ম্য প্ৰকাশ কৰি তেওঁৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰা হৈছে।

এইদৰে বিভিন্ন দিশ চালি-জাৰি চালে দেখা যায় যে পুৰাণৰ দশ লক্ষণ বা পঞ্চ লক্ষণ *শিৱ পুৰাণে* যথাযথভাৱে পূৰণ কৰিব পৰা নাই যদিও আনুষংগিক বৈশিষ্ট্যসমূহৰ প্ৰায়ভাগেই প্ৰতিফলিত হৈছে। সেইবাবে ইয়াক পুৰাণ বুলি অভিহিত কৰা হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ ৰুদ্র সিংহই ৰাজবংশৰ বর্ণনা *শিৱ পুৰাণ*ৰ সন্নিৱিষ্ট কৰিছেনে ?

.....

প্রশ্ন নং ৬ ঃ পুৰাণৰ দশ লক্ষণ বা পঞ্চ লক্ষণ *শিৱ পুৰাণে* যথাযথভাৱে পূৰণ কৰিব পাৰিছেনে ?

.....



১৪.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- 1696 খ্রীষ্টাব্দত ৰুদ্র সিংহই তেওঁৰ পিতৃ গদাধৰ সিংহৰ মৃত্যু হোৱাত ৰাজ-সিংহাসন আৰোহণ কৰে। অসমৰ সাংস্কৃতিক জগতলৈ স্বর্গদেউ ৰুদ্র সিংহৰ অৱদান বহুমুখী। ছশ বছৰীয়া ৰাজত্বকালত কেউজন আহোম ৰজাই অসমৰ সাংস্কৃতিক জগতলৈ যি অৰিহণা দি থৈ গ'ল, তাৰ আধাখিনি অকল ৰুদ্র সিংহৰ অৱদান বুলি ক'ব পাৰি। মাত্র ওঠৰ বছৰীয়া ৰাজত্বকালতে [1696–1714] ৰুদ্র সিংহই অসমৰ শিক্ষা, সাহিত্য, সংগীত, চিত্র, নৃত্য, ক্রীড়া সকলো দিশতে নতুন দিগন্তৰ সূচনা কৰে। এই বিষয়ে অধ্যায়টিত বহলাই আলোচনা দাঙি ধৰা হৈছে।
- আহোম স্বর্গদেউ ৰুদ্র সিংহই ৰাজ্য শাসনৰ দৰে দায়িত্ব পালন কৰাৰ উপৰি *শিৱ পুৰাণ*ৰ আঠোটা শ্লোকৰ আধাৰত অসমীয়া ভাষাত *শিৱ পুৰাণ* ৰচনা কৰিছে। শিৱ দেৱতাৰ মাহাত্ম্য প্রকাশক এইখনেই একমাত্র স্বতন্ত্র অসমীয়া কাব্য। সেইবাবে অসমীয়া সাহিত্যৰ বুৰঞ্জীত ই এক বিশিষ্ট স্থান অধিকাৰ কৰি আছে।
- পুৰাণৰ কিছুমান বৈশিষ্ট্য বা লক্ষণ নির্ধাৰণ কৰা হৈছে। ৰুদ্র সিংহৰ *শিৱ পুৰাণ*ত পুৰাণৰ পঞ্চ লক্ষণ বা দশ লক্ষণ সম্পূর্ণৰূপে প্রতিফলিত হোৱা নাই যদিও আনুষংগিকভাৱে ভালেমান বৈশিষ্ট্য প্রকাশ পাইছে। সেইবাবে ইয়াক পুৰাণ বুলি কোৱাত কোনো আপত্তি নাই। কাব্যখনিত শিৱৰ মাহাত্ম্যৰ লগতে তেওঁৰ বিভিন্ন ৰূপৰ বর্ণনা, সৃষ্টি-স্থিতি আৰু প্রলয়ত তেওঁৰ ভূমিকা, শিৱ লোকৰ বর্ণনা, শিৱ ভক্তিৰ ফল আদি বিভিন্ন দিশৰ আভাস পোৱা গৈছে। আঠোটা অধ্যায়ত বিভক্ত কৰি এই বিষয়বস্তুৰ বর্ণনা আগবঢ়োৱা হৈছে। গ্রন্থখনিৰ যোগেদি শিৱ সম্পর্কীয় বিভিন্ন ধাৰণা গ্রহণত সহায়ক হৈ পৰিছে।



১৪.৫ অধিক জানিবলৈ

1] কাকতি, বাণীকান্ত (১৯৫৫); *পুৰণি অসমৰ ধর্মৰ ধাৰা;* গুৱাহাটী ঃ অসম প্ৰকাশন পৰিষদ।
2] দেৱী, অমিয়া [1996]; *স্বর্গদেউ ৰুদ্রসিংহ;* গুৱাহাটী ঃ লয়ার্চ বুক ষ্টল।
3] বৰদলৈ, নির্মলপ্রভা [1997]; *শিৱ;* গুৱাহাটী ঃ সাহিত্য প্ৰকাশ।
4] বৰুৱা, প্রহ্লাদ কুমাৰ [1997]; *ধর্ম সমীক্ষা;* গুৱাহাটী ঃ ইম্প্রিণ্ট।
5] বৰুৱা, বিৰিঞ্চি কুমাৰ [1979]; *নির্বাচিত প্রবন্ধ;* নতুন দিল্লী ঃ সাহিত্য অকাডেমী।
6] মজুমদাৰ, বিমল [1998]; *ভক্তি সাহিত্য;* গুৱাহাটী ঃ চন্দ্র প্ৰকাশ।
7] শর্মা, নবীনচন্দ্র [1986] (সম্পাঃ); *শিৱ পুৰাণ;* গুৱাহাটী ঃ বাণী প্ৰকাশ।



১৪.৬ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ কবিৰাজ চক্রৱর্তীয়ে ৰুদ্র সিংহৰ অনুপ্রেৰণাতে *নাৰদীয় পুৰাণ* আৰু জয়দেৱৰ *গীত গোবিন্দ* অসমীয়ালৈ ভাঙনি কৰে।

২ নং প্রশ্নৰ উত্তৰ ঃ ৰুদ্র সিংহই 5 টা গীত ৰচনা কৰিছিল?

৩ নং প্রশ্নৰ উত্তৰ ঃ মাত্র এঘাৰটা পদত বর্ণিত *শিৱ পুৰাণ*ৰ দ্বিতীয় অধ্যায়ত লিংগৰূপী শিৱৰ মহত্ত্ব কথন, শৈৱতত্ত্ব ব্যাখ্যা, ৰুদ্র ভক্তি আৰু ৰুদ্র ভক্তৰ শ্রেষ্ঠত্ব নির্ণয় কৰা হৈছে।

৪ নং প্রশ্নৰ উত্তৰ ঃ ৰুদ্র সিংহৰ *শিৱ পুৰাণ*ৰ সপ্তম অধ্যায়টি দুলড়ী ছন্দত লিখা 26 টা পদেৰে ৰচিত হৈছে।

৫ নং প্রশ্নৰ উত্তৰ ঃ ৰুদ্র সিংহই ৰাজবংশৰ বর্ণনা *শিৱ পুৰাণ*ৰ সন্নিৱিষ্ট কৰা নাই।

৬ নং প্রশ্নৰ উত্তৰ ঃ পুৰাণৰ দশ লক্ষণ বা পঞ্চ লক্ষণ *শিৱ পুৰাণে* যথাযথভাৱে পূৰণ কৰিব পৰা নাই।



১৪.৭ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ তলৰ প্ৰশ্নসমূহৰ অতি চমু উত্তৰ লিখক —

(ক) কোনে বিহুৰ দিনা হুঁচৰি দলৰ সন্মুখত মূৰ দোঁৱাই আশীৰ্বাদ লোৱাৰ ৰীতি প্ৰৱৰ্তন কৰে?

(খ) *শিৱ পুৰাণ*ৰ পঞ্চম অধ্যায়টোত কিমানটা পদ আছে?

(গ) *শিৱ পুৰাণ* মতে শিৱই পৰম ব্ৰহ্ম আৰু তেওঁতেই সকলো লয় হয় — কথাষাৰ শুদ্ধ নে অশুদ্ধ।

(ঘ) ৰুদ্র সিংহৰ *শিৱ পুৰাণ*ত শিৱলিংগ থকা শিৱৰ তীৰ্থস্থানসমূহত পালন কৰিবলগীয়া আচাৰ-নীতি, দান-দক্ষিণা আদিৰ উল্লেখ আছেনে?

খ) চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ *শিৱ পুৰাণ*ৰ প্ৰণেতা ৰুদ্র সিংহৰ এটি পৰিচয় জ্ঞাপন কৰক।

প্ৰশ্ন ২ ঃ চমুটোকা লিখক —

(ক) *শিৱ পুৰাণ*ৰ বিষয়বস্তু (খ) পুৰাণ হিচাপে *শিৱ পুৰাণ*

গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ *শিৱ পুৰাণ*ৰ বিষয়বস্তু আঠোটা অধ্যায়ৰ যোগেদি কেনেদৰে প্ৰকাশ পাইছে বিশ্লেষণ কৰি দেখুৱাওক।

প্ৰশ্ন ২ ঃ পুৰাণৰ পঞ্চ লক্ষণ আৰু দশ লক্ষণৰ পৰিচয় দিয়ক। ৰুদ্র সিংহৰ *শিৱ পুৰাণ*ত পুৰাণৰ লক্ষণসমূহ কিমানখিনি প্ৰতিফলিত হৈছে বিচাৰ কৰক।

*** ***** ***